# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-08-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ পৰিপ্ৰেক্ষিতত জাৰি কৰাৰ প্ৰক্ৰিয়া বন্ধ কৰি ৰখা অসমৰ ৯ লাখ ৩৫ হাজাৰ ৬৮২ জন লোকৰ আধাৰ কাৰ্ড জাৰি কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সাংবাদিসকলক সম্বোধন কৰি তেওঁ কয় যে, এন আৰ চিৰ বায়'মেট্ৰিক নথি গ্ৰহণৰ সৈতে সম্পৰ্কীত কাৰিকৰী কাৰণত ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা আগষ্ট মাহ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হৈ আছিল। বিষয়টোক লৈ ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো দিশ বিবেচনা কৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডসমূহ সক্ৰিয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত ৰাজ্যখনৰ ৯ লাখ ৩৫ হাজাৰৰো অধিক লোকে পৰৱৰ্তী ১৫ৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ আধাৰ কাৰ্ডসমূহ লাভ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে।

ইফালে এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ সময়ত বায়'মেট্ৰিক তথ্য প্ৰদানৰ সংক্ৰান্তত পূৰ্বে ব্যাহত ৰখা আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে। ভাৰতীয় গোৰ্খা পৰিসংঘই আজি গৃহ মন্ত্ৰালয়ৰ এই সিদ্ধান্তক আদৰণি জনাই কয় যে, ইয়াৰ ফলত এক লাখ গোৰ্খা সম্প্ৰদায়ৰ লোককে ধৰি ৯ লাখ ৩৫ হাজাৰৰো অধিক লোক উপকৃত হ'ব। সংগঠনটোৱে লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰে।

ooooo

অসম-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰি দিয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজিৰ প্ৰশ্নোত্তৰকালত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই সদনত এই বিষয়ে প্ৰকাশ কৰি কয় যে, সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্তৰ ১৪১ কিলোমিটাৰৰো অধিক অঞ্চল তথা কাছাৰ জিলাৰ ২৭ কিলোমিটাৰৰো অধিক অঞ্চল ছীল কৰা হৈছে। কৰিমগঞ্জ জিলাৰ সীমান্ত অঞ্চলৰ ২৮ দশমিক ৩ কিলোমিটাৰ এলেকাৰ ভিতৰত সম্প্ৰতি কেৱল ৪ দশমিক ৩-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাতহে কাঁইটীয়া তাঁৰৰ বেৰৰ কাম সম্পূৰ্ণ কৰিবলৈ বাকী আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে। বেৰ দিবলৈ বাকী থকা নদী অঞ্চলসমূহ সৰ্বাত্মক সংহত সীমান্ত ব্যৱস্থাপনাৰ দ্বাৰা চোৰাচিতা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ সৰ্বাত্মক বিত্তীয় অন্তৰ্ভুক্তিৰ আঁচনি প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ আজিৰ দিনটোতে এই যোজনাৰ শুভাৰম্ভ কৰিছিল। ইয়াৰ অধীনত এইপৰ্যন্ত ৫৩ কোটিতকৈও অধিক হিতাধিকাৰীৰ বেংক একাউণ্ট খোলা হৈছে আৰু এই একাউণ্টসমূহত ২ লাখ

৩০ হাজাৰ কোটি টকা জমা হৈছে। চলিত বিত্তীয় বৰ্ষত আৰু ৩ কোটিৰো অধিক জন ধন একাউণ্ট খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। বিত্ত মন্ত্ৰালয়ে আজি এই সন্দৰ্ভত প্ৰকাশ কৰা বিবৃতিত কয় যে, বিশ্বৰ সৰ্ববৃহৎ বিত্তীয় অন্তৰ্ভুক্তিৰ পদক্ষেপ হিচাপে পৰিগণিত এই আঁচনিয়ে প্ৰান্তীয় আৰু অৰ্থনৈতিকভাৱে দুৰ্বল লোকসকলৰ সহায়ৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে, জন ধন যোজনাই দৰিদ্ৰ লোকসকলক অৰ্থনৈতিক মূলসুঁতিৰ সৈতে সংযুক্ত কৰি সৰ্বাত্মক বিকাশত অৰিহণা যোগায়। শ্ৰীমতী সীতাৰমণে এই যোজনাৰ অধীনত ৬৭ শতাংশ একাউণ্ট গ্ৰামাঞ্চল বা উপ-নগৰীয়া অঞ্চলত খোলাৰ বিপৰীতে ৫৫ শতাংশ একাউণ্ট মহিলাৰ হোৱাটো আনন্দৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে, এই যোজনাই বেংক একাউণ্ট, ক্ষুদ্ৰ সঞ্চয় আঁচনি, বীমা আৰু ঋণকে ধৰি সাৰ্বজনীন, সুলভ আৰু আনুষ্ঠানিক বিত্তীয় সেৱা প্ৰদান কৰি বিগত দশকটোত দেশৰ বেংকিং আৰু বিত্তীয় ব্যৱস্থাত ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে। এই যোজনাৰ দ্বাৰা বেংক একাউণ্টসমূহত জমা হোৱা ধনৰ পৰা ৩৬ কোটিৰো অধিক বিনামূলীয়া ৰুপে কাৰ্ড জাৰি কৰা হৈছে আৰু এই কাৰ্ডসমূহে ২ লাখ টকা পৰ্যন্ত দূৰ্ঘটনা বীমা কাভাৰো প্ৰদান কৰে বুলি তেওঁ জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন ধন যোজনাৰ ১০ বছৰ সম্পূৰ্ণ হোৱাত সকলো হিতাধিকাৰীৰ লগতে এই আঁচনি সফল কৰি তোলাত অৰিহণা যোগোৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, জন ধন যোজনাই বিত্তীয় অন্তৰ্ভুক্তি বৃদ্ধিৰ কৰাৰ লগতে কোটি কোটি লোকক বিশেষকৈ মহিলা, যুৱক আৰু প্ৰান্তীয় সম্প্ৰদায়ক মৰ্যাদা দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে।

০০০০০

অসম লোকসেৱা আয়োগে প্ৰথমবাৰৰ বাবে আজিৰ পৰা ছয়মাহিলী বিভাগীয় পৰীক্ষাসমূহ ডিজিটেল মাধ্যমত অনুষ্ঠিত কৰিছে। ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় বন সেৱা, অসম প্ৰশাসনিক সেৱা, অসম আৰক্ষী সেৱাকে ধৰি আনুসংগিক সেৱাৰ বিষয়াসকলৰ পদৰ নিশ্চিতকৰণৰ বাবে এই পৰীক্ষাত উপযুক্ত নম্বৰসহ উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক। ইয়াৰোপৰি বিষয়াসকলে ৰাজ্যখনৰ এটা জনজাতীয় ভাষাৰ পৰীক্ষাটো উত্তীৰ্ণ হ'ব লাগে। ডিজিটেল মাধ্যমত অনুষ্ঠিত এইবাৰৰ পৰীক্ষাত বহু বিকল্পিত প্ৰশ্নকাকত সম্বলিত একো একোটা ডিজিটেল টেবলেট প্ৰদান কৰা হৈছে। বিষয়াসকলে শুদ্ধ বিকল্প ক্লিক কৰি নিজৰ উত্তৰসমূহ দাখিল কৰিব পাৰিব। ডিজিটেল মাধ্যমৰ পৰীক্ষা প্ৰৱৰ্তন কৰাৰ ফলত এসপ্তাহৰ ভিতৰতে পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰিব পৰা যাব বুলি আয়োগে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে অহা ১ চেপ্তেম্বৰলৈ এই পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব।

০০০০০

চলিত বছৰৰ ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা দেশৰ ৫০ গৰাকী কৃতী শিক্ষকলৈ আগবঢ়োৱা হৈছে। ডিব্ৰুগড়ৰ চিচিয়া বকুলনী ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক দ্বীপেন খনিকৰেও এই বঁটা লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বঁটাৰ বাবে বাছনি লাভ কৰা শিক্ষকগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে দেশৰ ৫০ গৰাকী কৃতী শিক্ষকৰ মাজত স্থান লাভ কৰি শ্ৰী খনিকৰে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰিছে বুলি মন্তব্য কৰে। ইফালে শিক্ষকগৰাকীৰ সফলতাত বিদ্যালয়খনত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ